জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৫৩/২০২০

# শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ লগতে মুখ্যমন্ত্ৰী সোণোৱালৰ অংশ গ্ৰহণ

## ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জ্ঞানক দেশৰ অৰ্থনীতিৰ ৰূপান্তৰৰ এক শক্তি হিচাপে ব্যৱহাৰ কৰিব লাগিব ঃ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী

## এক্ট ইষ্ট পলিচি ৰূপায়ণৰ পদক্ষেপে সৃষ্টি কৰা সম্ভাৱনাসমূহৰ সুযোগ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে গ্ৰহণ কৰি ৰাজ্যৰ লগতে দেশৰ উত্তৰণত অৰিহণা যোগাব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰী আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ ১৮ সংখ্যক দীক্ষান্ত সমাৰোহত অংশ গ্ৰহণ কৰে। উল্লেখ্য যে আজিৰ এই দীক্ষান্ত সমাৰোহত বিশ্ববিদ্যালয়খনৰ ২০১৮ আৰু ২০১৯ বৰ্ষৰ লগতে ২০২০ বৰ্ষৰ কিছু সংখ্যক নিৰ্দ্ধাৰিত বিষয়ৰ ডিগ্ৰীসমূহৰ উপৰি বিভিন্ন মেডেলসমূহ ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা হয়।

এই দীক্ষান্ত সমাৰোহত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে জ্ঞানক শক্তি বুলি অভিহিত কৰি এই জ্ঞানক সম্পদলৈ ৰূপান্তৰিত কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ আজি বিভিন্ন ডিগ্ৰী তথা মেডেল লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰসংগত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ অৰ্থনীতি ৫ ট্ৰিলিয়ন মাৰ্কিন ডলাৰৰ অৰ্থনীতিলৈ ৰূপান্তৰিত কৰাৰ লক্ষ্য স্থিৰ কৰিছে। এই লক্ষ্যত উপনীত হোৱাৰ বাবে এই মেধাবী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জ্ঞানক দেশৰ অৰ্থনৈতিক ৰূপান্তৰৰ এক শক্তি হিচাপে ব্যৱহাৰ কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে লগতে কয় যে অসমৰ বহুত সম্পদ আৰু সম্ভাৱনীয়তা আছে। এই সম্পদ আৰু সম্ভাৱনীয়তা সমূহ বিকশাই তুলি অসমৰ অৰ্থনীত শক্তিশালী কৰি তোলাৰ বাবেও আজি ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে আত্মনিয়োগ কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ মুঠ ঘৰুৱা উৎপাদনত ৩০ শতাংশ এমএছএমই ক্ষেত্ৰই বৰঙনি যোগায়। এই খণ্ডৰ আৰু অধিক উত্তৰণৰ বাবে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে বিকশাই তুলি নিজে আত্মনিৰ্ভৰশীল হোৱাৰ উপৰি কৰ্ম সংস্থাপনৰ সৃষ্টিৰ দিশত আত্মনিয়োগ কৰিব লাগিব। এই মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে দেশৰ অৰ্থনীতিৰ বিভিন্ন ক্ষেত্ৰত ভৱিষ্য দৰ্শনৰ সূচনা কৰিব লাগিব বুলিও তেওঁ কয়। তেওঁলোকৰ উদ্ভাৱনী শক্তিৰে আৰ্থ-সামাজিক উত্তৰণৰ পথ প্ৰশস্ত কৰিব লাগিব বুলিও তেওঁ কয়। নিজে সম্পদৰ অধিকাৰী হ'লে যিমান সুখ পোৱা যায় তাতকৈ বেছি সুখ

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

দৰিদ্ৰ সকলৰ আৰ্থ-সামাজিক উত্তৰণৰ জৰিয়তে পোৱা যায় বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক দৰিদ্ৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে নিষ্ঠা সহকাৰে কাম কৰাৰ বাবে আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষক সকলো ক্ষেত্ৰতে স্বাৱলম্বী কৰি গঢ়ি তোলাৰ বাবে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ লক্ষ্য স্থিৰ কৰিছে। এই আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলাৰ লগতে এখন শক্তিশালী আৰু প্ৰগতিশীল অসম গঢ়াৰ বাবে আজি ডিগ্ৰী আৰু সন্মান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে আত্মনিয়োগ কৰিব লাগিব।

অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে এক্ট ইষ্ট পলিচি ৰূপায়ণৰ পদক্ষেপে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চললৈ যথেষ্ট সম্ভাৱনা কঢ়িয়াই আনিছে। এই পৰিৱৰ্তিত প্ৰেক্ষাপটৰ সুযোগ গ্ৰহণ কৰি ৰাজ্যখনৰ লগতে দেশক শক্তিশালী কৰাৰ বাবে আজি মেডেল তথা ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে নিষ্ঠা সহকাৰে কৰ্তব্যত ব্ৰতী হ'ব লাগিব। আছিয়ান আৰু বিবিএন দেশসমূহৰ ৮ শ নিযুত জনসাধাৰণৰ মাজত নিজৰ সৰ্বশ্ৰেষ্ঠতা উজাৰি দি শ্ৰেষ্ঠ মানৱ সম্পদ হিচাপে পৰিগণিত হোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক আহ্বন জনায়। ভাৰতবৰ্ষক যুৱ শক্তিৰ দেশ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱ শক্তিৰে দেশৰ উন্নয়নৰ লক্ষ্য স্থিৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে যুৱক-যুৱতীসকলক দক্ষতা উন্নয়নেৰে সকলো সময়ৰ বাবে প্ৰাসংগিক হৈ থকাৰ পদক্ষেপ ল'বলৈ আহ্বান জনায়। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে পৱিত্ৰ বৰদিন উপলক্ষে সকলোকে আন্তৰিক ওলগ জনোৱাৰ উপৰি প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ীৰ জন্ম দিন উপলক্ষে আজি সমগ্ৰ দেশজুৰি পালন কৰা সু-শাসন দিৱসৰ তাৎপৰ্যৰ কথাও উল্লেখ কৰে। শিলচৰৰ অসম বিশ্ববিদ্যালয় অসম চুক্তিৰ অন্যতম ফচল বুলি উল্লেখ কৰি অসম আন্দোলনত আত্মবলিদান দিয়া শ্বহীদ সকলৰ প্ৰতিও মুখ্যমন্ত্ৰীয়ে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ১৯৯৪ চনত স্থাপিত এই বিশ্ববিদ্যালয়খনে বিভিন্ন ক্ষেত্ৰৰ উৎকৃষ্ট মানৱ সম্পদ গঢ় দিয়াৰ কামত নিষ্ঠাসহকাৰে ব্ৰতী হৈ আছে বুলি উল্লেখ কৰি আগন্তুক সময়তো এই বিশ্ববিদ্যালয়খন দেশৰ এখন অগ্ৰণী উচ্চশিক্ষাৰ প্ৰতিষ্ঠান হিচাপে প্ৰতিষ্ঠিত হৈ শিক্ষা ব্যৱস্থাত নতুন দিশৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, শিলচৰ লোকসভা সমষ্টিৰ সাংসদ ডাঃ ৰাজদ্বীপ ৰয়, অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেচাৰ দিলীপ চন্দ্ৰ নাথ, অসম বিশ্ববিদ্যালয়, শিলচৰৰ প্ৰো-ভাইচ চেন্সেলৰ প্ৰফেচাৰ অভিক গুপ্তা, অসম বিশ্ববিদ্যালয় ডিফু চৌহদৰ প্ৰো-ভাইচ চেন্সেলৰ প্ৰফেচাৰ শিৱাশিস বিশ্বাস, বিভিন্ন বিভাগৰ ডীন সকল, বিশ্ববিদ্যালয়খনৰ অধীনৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ সকলৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**২৫/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in